**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

**নং ঃ ১৫৬/২০২০**

## ৰাজ্যৰ ক্ৰীড়া সংগঠক আৰু বিশিষ্ট ক্ৰীড়াবিদসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বাৰ্তালাপ

# কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিহত কৰাৰ ক্ষেত্ৰত জনসচেতনতা সৃষ্টিত ক্ৰীড়াবিদ আৰু ক্ৰীড়া সংগঠকসকলে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৫ এপ্ৰিল ঃ** অসম অলিম্পিক সন্থাৰ সভাপতি তথা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মুখ্যমন্ত্ৰীৰ চৰকাৰী আৱসগৃহৰ পৰা কনফাৰেন্স কল যোগে অসম অলিম্পিক সন্থাৰ সদস্য-সদস্যা, বিশিষ্ট ক্ৰীড়াবিদ, ক্ৰীড়া বিষয়া, ৰাজ্যিক আৰু জিলা ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকলৰ সৈতে কৰ'না মহামাৰীৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি সম্পৰ্কত বাৰ্তালাপ কৰে।

বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই মহামাৰীৰ বিৰুদ্ধে সকলোৱে ঐক্যবদ্ধ হৈ যুঁজ দিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে এই ক্ষেত্ৰত স্বাস্থ্য বিভাগে যিবোৰ প্ৰতিকাৰ মূলক নিৰ্দেশনা জাৰি কৰিছে, তাক সম্পূৰ্ণৰূপে মানি চলিব পাৰিলে এই মহামাৰী প্ৰতিহত কৰিবলৈ সক্ষম হ'ম। কৰ'না ভাইৰাছ পৰিস্কাৰ-পৰিচ্ছন্নতা আৰু সামাজিক দূৰত্বৰ জৰিয়তেহে পৰাভূত কৰা সম্ভৱ আৰু সমাজ সচেতন ব্যক্তিসকলে এই ক্ষেত্ৰত সজাগতা সৃষ্টি কৰাত নেতৃত্ব বহন কৰিব লাগিব। এই ক্ষেত্ৰত ক্ৰীড়া ক্ষেত্ৰৰ লগত জড়িত ব্যক্তিসকলে বিশেষ ভূমিকা পালন কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যি ২১ দিনীয় লক্-ডাউন কাৰ্যসূচী পালনৰ আহ্বান জনাইছে তাক অসমৰ জনসাধাৰণেও আন্তৰিক সহযোগিতা আগবঢ়াইছে আৰু অহা ১৪ এপ্ৰিললৈ আমি সকলোৱে সামাজিক দূৰত্ব বজাই ৰাখি নিজৰ নিজৰ ঘৰৰ ভিতৰতে আৱদ্ধ হৈ থাকিব লাগিব।

আজিৰ বাৰ্তালাপ অনুষ্ঠানত অৰ্জুন ভোগেশ্বৰ বৰুৱা, অৰ্জুন হিমা দাস, বক্সাৰ লাভলীনা বৰগোহাঁই, সাতুৰবিদ শিৱাঙ্গী শৰ্মা, বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈয়ে অংশ গ্ৰহণ কৰি কৰ'না ভাইৰাছ সংক্ৰমণৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক আদৰণি জনোৱাৰ লগতে সামাজিক দূৰত্ব বজাই ৰাখি লক্-ডাউন কাৰ্যসূচী সম্পূৰ্ণৰূপে মানি চলাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এই সংকটকালত অসম অলিম্পিক সন্থাই গ্ৰহণ কৰা এই সামূহিক বাৰ্তালাপ কাৰ্যসূচী এক অনন্য পদক্ষেপ বুলি উল্লেখ কৰি জনসচেতনতা সৃষ্টিত ক্ৰীড়া জগতখনেও গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাকিব বুলিও মত প্ৰকাশ কৰে।

এই বাৰ্তালাপ অনুষ্ঠানত হাইলাকান্দি জিলাৰ ক্ৰীড়া সন্থাৰ সম্পাদক শৈৱাল সেনগুপ্তা, কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাৰ সম্পাদক পংকজ তেৰন, কোকৰাঝাৰ জিলাৰ ক্ৰীড়া সন্থাৰ সম্পাদক সহেন্দ্ৰ বসুমতাৰী, তিনিচুকীয়া জিলাৰ ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ অচ্যুৎ বৰঠাকুৰ আৰু হোজাই জিলা ক্ৰীড়া সন্থাৰ সভাপতি শিলাদিত্য দেৱেও অংশ গ্ৰহণ কৰে। আজিৰ এই বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ উপস্থিত থাকে।

**পুঃডেঃ**
**০৫/০৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in  **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam  cmassam.prcell@gov.in